# REGIONAL NEWS UNIT

AKASHVANI, GUWAHATI

0000000000

**Date :** 08-03-2025
**Time :** 1715 HRS

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

০০০০০

আজি আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱস। এই দিনটোতে ৰাষ্ট্ৰীয়, জাতিগত, ভাষিক, সাংস্কৃতিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক সীমাৰ পৰিধি নেওচি মহিলাসকলক তেওঁলোকৰ সাফল্যৰ বাবে সন্মান জনোৱা হয়। এই বছৰৰ আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱসৰ বিষয়বস্তু হৈছে- সকলো মহিলা আৰু কিশোৰীৰ বাবে ঃ অধিকাৰ, সমতা, সবলীকৰণ। এই বিষয়বস্তুৰ জৰিয়তে প্ৰতিগৰাকী মহিলাৰ বাবে সমঅধিকাৰ, ক্ষমতা আৰু সুযোগ-সুবিধা সুনিশ্চিত কৰাৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণৰ পোষকতা কৰা হৈছে।

ৰাজ্যৰ বিভিন্ন প্ৰান্তত এই দিৱস উপলক্ষে আজি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। গুৱাহাটী মহানগৰীৰ পল্টন বজাৰত অৱস্থিত ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণৰ কাৰ্যালয়ত আন্তৰ্জাতিক নাৰী দিৱস উদযাপন কৰা হয়। এই কাৰ্যসূচীত অলিম্পিক পদক বিজয়ী বক্সাৰ লাভলীনা বৰগোঁহাইৰ লগতে ল'ন বল খেলুৱৈ নয়নমণি শইকীয়াও উপস্থিত থাকে।

নাৰ্বাডৰ উদ্যোগত আৰু মঙলদৈ বে-চৰকাৰী সংস্থা ৰুৰেল অৰ্গেনাইজেচন ফৰ অলৰাউণ্ড ডেভেলপণ্টেমেণ্ট চমুকৈ ৰ'ড'ৰ সহযোগত মঙলদৈ ইয়ুথ ক্লাবত আন্তৰ্জাতিক নাৰী দিৱস উদযাপন কৰা হয়। অনুষ্ঠানত দৰঙৰ অতিৰিক্ত আয়ুক্ত গৌৰীপ্ৰিয়া দেউৰীয়ে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে।

গুৱাহাটী মহানগৰীতো আজি বিভিন্ন দল-সংগঠনে আন্তৰ্জাতিক নাৰী দিৱস উদযাপন কৰে। সন্দিকৈ ছোৱালী মহাবিদ্যালয়ে আজি মাছখোৱাৰ প্ৰাগজ্যোতি সাংস্কৃতিক প্ৰকল্পত আয়োজিত অনুষ্ঠানত মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠাপক অধ্যক্ষা ৰাজবালা দাসৰ স্মৃতিত সমাজকৰ্মী তথা লেখিকা জুনু বৰাক এই বছৰৰ ৰাজবালা দাস ৰাষ্ট্ৰীয় বঁটা প্ৰদান কৰে।

০০০০০০০

আকাশবাণী বাতৰি বিভাগে আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱস কিছু ব্যতিক্ৰমীভাৱে উদযাপন কৰিছে। আকাশবাণী গুৱাহাটী কেন্দ্ৰত আজি আন্তৰ্জাতিক নাৰী দিৱস উপলক্ষে এখন সভা আয়োজন কৰা হয়। এই সভাত মহিলা অনুষ্ঠান পৰিবেশক, বাতৰি পৰিবেশক তথা মহিলা কৰ্মচাৰীসকলক কেন্দ্ৰটোৰ পুৰুষ সহকৰ্মীসকলে একোপাহ গোলাপ ফুলেৰে আদৰণি জনায়। অনুষ্ঠানত বি বৰুৱা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা ড০ জয়শ্ৰী বৰঠাকুৰ আৰু কটন বিশ্ববিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ মুৰব্বী অধ্যাপিকা ড০ অকুণ্ঠিতা বৰঠাকুৰ উপস্থিত থাকে। লেখিকা তথা আকাশবাণী গুৱাহাটীৰ শ্ৰোতা বকুলী বৈশ্য আৰু সবিতা কলিতাও এই অনুষ্ঠানত উপস্থিত থাকি আন্তৰ্জাতিক নাৰী দিৱসত নিজৰ অনুভৱ ব্যক্ত কৰে। কেন্দ্ৰটোৰ অনুষ্ঠানসমূহৰ মুৰব্বী কৰ্ড'লীনা থেংকিউৰে আদৰণি ভাষণেৰে সকলোকে শুভেচ্ছা জনায়।

আকাশবাণী ডিব্রুগড় কেন্দ্ৰইও আন্তৰ্জাতিক নাৰী দিৱস উপলক্ষে আজি **নাৰী অধিকাৰ আৰু সৱলীকৰণ** সন্দৰ্ভত এলানি বিশেষ অনুষ্ঠান প্ৰচাৰ কৰিছে। এই উদ্দেশ্যে আজি পুৱা চাৰে সাত বজাৰ পৰা মহিলা বিষয়ক আলোচনা প্ৰচাৰ কৰাৰ লগতে নিশা দহ বজালৈকে বিভিন্ন অনুষ্ঠান প্ৰচাৰৰ ব্যৱস্থা কৰিছে।

ইপিনে, আন্তৰ্জাতিক নাৰী দিৱস উপলক্ষে আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটত বিশেষ দৃষ্টিপাত প্ৰচাৰ কৰিব। এই অনুষ্ঠানত বিভিন্ন প্ৰত্যাহ্বানৰ মাজেৰে কৰ্মক্ষেত্ৰত সফলতাৰে আগবাঢ়ি যোৱা তিনিগৰাকী নাৰীয়ে তেওঁলোকৰ অভিমত ব্যক্ত কৰিব। অনুষ্ঠানটোৰ আঁত ধৰিব আকাশবাণী বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে। ইয়াৰ উপৰি বাতৰি বিভাগে কাইলৈ সন্ধিয়া ৭ বাজি ৪৫ মিনিটত আন্তৰ্জাতিক নাৰী দিৱস সম্পৰ্কত এটা বিশেষ সংবাদ চলন্তিকা প্ৰচাৰ কৰিব।

০০০০০০

দেশৰ ভিন্ন প্ৰান্তৰ লগতে আজি দক্ষিণ শালমাৰা মানকাচৰ জিলাতো ৰাষ্ট্ৰীয় লোক আদালত অনুষ্ঠিত হয়। হাটশিঙিমাৰী জিলা আইন সেৱা প্ৰাধিকৰণে আয়োজন কৰা লোক আদালতৰ দ্বাৰা আজি জিলাখনত ১হেজাৰ ২৮৮টা অমীমাংসিত গোচৰৰ ভিতৰত ৬৭১টা গোচৰ নিষ্পত্তি কৰা হৈছে। ইয়াৰে অসম শক্তি বিতৰণ লিমিটেডৰ পৰা সৰ্বাধিক ৫৫২ গোচৰ মীমাংসা কৰা হৈছে। জিলাখনত এইবেলি লোক আদালতৰ জৰিয়তে এক কোটি ৪লাখ ২২ হাজাৰ ৯৯২ টকা সংৰক্ষণ কৰা হৈছে বুলি এখন সংবাদ মেলত জিলা আইন সেৱা প্ৰাধিকাৰী উচ্চবৰ্গৰ সহায়কে জানিবলৈ দিয়ে।

পশ্চিম কাৰ্বি আংলঙৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ কাৰ্যালয় প্ৰাংগণতো আজি ৰাষ্ট্ৰীয় লোক আদালত অনুষ্ঠিত হয়। ২০১৯ চনত প্ৰতিষ্ঠা কৰা এই মুখ্য ন্যায়িক দণ্ডাধীশৰ কাৰ্যালয়ত আজি পঞ্চমটো লোক আদালত অনুষ্ঠিত হয়। এই আদালতত ৫৫০ টা গোচৰৰ নিষ্পত্তিৰ বাবে জাননি প্ৰেৰণ কৰা হয় যদিও ৪৪ শতাংশ গোচৰৰ বিবাদে নিষ্পত্তি কৰা হয়। এই লোক আদালতত যান-বাহন সম্বন্ধীয় গোচৰ, বৈবাহিক সম্বন্ধীয় গোচৰ, বেংক ঋণ সম্বন্ধীয় গোচৰসমূহ সুন্দৰকৈ নিষ্পত্তি হোৱা বুলি জানিবলৈ পোৱা গৈছে।

বৰপেটা জিলাত আজি অনুষ্ঠিত লোক আদালতত বিভিন্ন বিষয়ৰ ৮৭২ টা গোচৰ নিষ্পত্তি কৰা হয়। নিষ্পত্তিৰ বাবে গ্ৰহণ কৰা মুঠ গোচৰৰ সংখ্যা আছিল ৮হাজাৰ ২০১টা। আজি নিষ্পত্তি হোৱা গোচৰবোৰৰ জৰিয়তে ২ কোটি ৫০ লাখ ৬১ হাজাৰ ৭৬৩টকা জৰিমনাসহ অন্যান্য শিতানত ধন আদায় কৰা হয়।

০০০০০০০

চিৰাং জিলাৰ সদৰ কাজল গাঁৱত আজি জিলা কৃষি বিষয়াৰ কাৰ্যালয়ত কৃষি প্ৰযুক্তি ব্যৱস্থাপনা অভিকৰণৰ অধীনত জিলা কৃষি বিভাগৰ উদ্যোগত কৃষক মেলা অনুষ্ঠিত হয়।

০০০০০০০

সমাপ্ত